بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ৫ মে তাৰিখত লণ্ডনৰ বায়তুল ফুতুহ মছজিদ, মৌৰডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

এই খন পৃথিৱী আমল (ইবাদত) ৰ ঘৰ। এইখন পৃথিৱীৰ কৃত আমলবোৰ হ'ব ভৱিষ্য জাহানৰ (পৰলোক) পুৰস্কাৰ আৰু শাস্তিৰ মাধ্যম। আচল বস্তু হ'ল আল্লাহ তায়লাৰ সন্তুষ্টি অৰ্জন কৰা। গতিকে নেক আমলত অভ্যস্ত হোৱা যাতে আল্লাহ তায়লাৰ সন্তুষ্টি অৰ্জন কৰোঁতা হ'ব পাৰা।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে নিম্নোক্তম আয়াত পাঠ কৰে ঃ-

اِعۡلَمُوۡۤا اَنَّمَا الۡحَیٰوۃُ الدُّنۡیَا لَعِبٌ وَّلَہۡوٌ وَّزِیۡنَۃٌ وَّتَفَاخُرٌۢ بَیۡنَکُمۡ وَتَکَاثُرٌ فِی الۡاَمۡوَالِ وَالۡاَوۡلَادِ ؕ کَمَثَلِ غَیۡثٍ اَعۡجَبَ الۡکُفَّارَ نَبَاتُہٗ ثُمَّ یَہِیۡجُ فَتَرٰىہُ مُصۡفَرًّا ثُمَّ یَکُوۡنُ حُطَامًا ؕ وَفِی الۡاٰخِرَۃِ عَذَابٌ شَدِیۡدٌ ۙ وَّمَغۡفِرَۃٌ مِّنَ اللّٰہِ وَرِضۡوَانٌ ؕ وَمَا الۡحَیٰوۃُ الدُّنۡیَاۤ اِلَّا مَتَاعُ الۡغُرُوۡرِ

অনুবাদ ঃ- হে লোক সকল ! ভালকৈ জানি লোৱা যে পাৰ্থিৱ জীৱণ এটা খেল মাত্ৰ আৰু হৃদয়ৰ প্ৰশান্তি আৰু নিজকে অলংকৃত কৰা আৰু পৰস্পৰে গৌৰৱ আৰু ধন মালৰ অহংকাৰ আৰু সন্তান আদিৰ অহংকাৰৰ মাধ্যম মাত্ৰ। এই অৱস্থাটো হ'ল বৰষুণত হোৱা খেতিৰ দৰে, যাৰ গজালিয়ে জমিদাৰক ক্ষন্তেকতে আনন্দিত কৰে, আৰু লহ-পহ কৈ বাঢ়ি আহে কিন্তু শেষত গৈ সোনালী বৰণ ধাৰণ কৰে তাৰ পিছত পকে আৰু নিশ্বেঃষ হ'বলৈ ধৰে। ঠিক এনেদৰেই দুনীয়াদাৰ সকলৰ বাবে কঠিন শাস্থি নিৰ্দ্ধাৰিত আছে। আকৌ কিছুমানৰ বাবে আল্লাহ তায়লাৰ ফালৰ পৰা ক্ষমা আৰু ইলাহি কৃপা নিৰ্ধাৰিণ আছে। সেয়ে এই পাৰ্থিৱ জীৱণৰ লাভালাভ এটা প্ৰবঞ্চনা মাত্ৰ।

আল্লাহ তায়লা কোৰ'আন কৰিমৰ বিভিন্ন ঠাইত কেৱল মনযোগ আকৰ্ষণ কৰাই নহয় বৰং আদেশ প্ৰদান কৰিছে যে এই পৃথিৱীৰ সাধাৰণ জীৱণ প্ৰভালী আৰু তাৰ সহজলভ্যতা আৰু আচবাব পত্ৰ, সা-সুবিধা, ধন মাল, ব্যাৱসায় বাণিজ্য এইবোৰ সকলো ক্ষণস্থায়ী বস্তু আৰু এই বোৰৰ মৰ্যদা খেল ধেমালি, মনৰ স্ফুৰ্তি যোগোৱা বস্তুতকৈ বেলেগ একো নহয়। আল্লাহ তায়লাৰ প্ৰতি অমনযোগ, নিজৰ জীৱণৰ আচল উদ্দেশ্যৰ প্ৰতি অলসতা ৰখা মানুহে এই বস্তু সমুহলৈ আকৰ্ষিত হয়। কিন্তু মোমিন ব্যাক্তিয়ে যাৰ উদ্দেশ্য মহান তেওঁ এইবোৰ কথাৰ পৰা বহুত উৰ্ধত আৰু উচ্চ চিন্তাধাৰাত অচহিত। তেওঁ মহান উদ্দেশ্য আৰু আল্লাহ তায়লাৰ সন্নিধ্য আৰু ভালপোৱা পাবলৈ চেষ্টা কৰে। আমি যেনেকৈ এই যুগত আঁহজৰত (ছাঃ) ৰ ভৱিষ্যত বাণী অনুযায়ী অৱতীৰ্ণ হোৱা মছিহ মাওউদ (আঃ) ৰ জমাতত চামিল হোৱাৰ আৰু তেখেত (আঃ) ৰ বয়াতৰ দাবী কৰো সেয়ে আমালোকৰ চিন্তা ধাৰা উচ্চ মৰ্যদা সম্পন্ন হোৱা উচিত। আমি যেনেকৈ নিজকে আহমদী বুলি কওঁ কিন্তু প্ৰকৃত আহমদী তেতিয়াহে হ'ব পাৰিব যেতিয়া আমি এই ক্ষণস্থায়ী পাৰ্থিৱ সুখ সম্ভোগ, আৰাম, ইচ্ছা-আনন্দ আদিক নিজৰ উদ্দেশ্য বনাই নলও বৰং দুনীয়া আজি যেনেকৈ এনেবোৰ আনন্দ-উল্লাসত আৱদ্ধ হৈ পৰিছে আৰু চয়তানে যেনেকৈ জাল পাতি লৈছে আৰু সকলোকে নিজৰ ফালে আকৰ্ষিত কৰিবলৈ চেষ্টা কৰি আছে তাৰ পৰা আমি আঁতৰি থাকিবলৈ চেষ্টা কৰা উচিত। আমালোকৰ উদ্দেশ্য পাৰ্থিৱ ধনদৌলত আৰাম, বিলাস লাভ কৰি লোৱা কেতিয়াও হ'ব নালাগে। কাৰণ এই বিলাকৰ ফলাফল ভাল নহয়। আল্লাহ তায়লা এই পাৰ্থিৱ বস্তু সমুহৰ উদাহৰণ দি কৈছে যে এই বোৰ উপচি পৰা পাথাৰ ভৰা খেতিৰ দৰে কিন্তু অৱশেষত শুকাই খেৰ-খৰিকাত পৰিণত হয় আৰু ধুমুহা বতাহে যাক উৰুৱাই লৈ যায়। এনেকুৱা হয় দুনীয়াদাৰ সকলৰ শেষ অৱস্থা। সিহঁতৰ ধন মাল, সতি-সন্ততি কোনোৱে সিহঁতৰ কামত নাহে। কিছুমানে এই জগত খনতেই নিজৰ ধন-মাল সন্তানৰ পৰা বঞ্চিত হয়। আকৌ কোনোবা জনৰ প্ৰকাশ্য অৱস্থা জগতত ভালেই দেখিবলৈ পোৱা যায় কিন্তু আখেৰাতত সিহঁতৰ সন্মুখত কঠোৰ হিচাপ ৰৈ আছে। মনত ৰাখিবলগীয়া কথা এয়া যে খোদা তায়লা কৈছে যে; পাৰ্থিৱ জীৱণকেই সকলো বস্তুৰ শেষ বুলি নেভাৰিবা। প্ৰকৃত জীৱণ হ'ল মৃত্যুৰ পিছৰ জীৱণ। সেয়ে আল্লাহ তায়লাৰ সন্তুষ্টি আৰু শুভ

ফল লাভৰ বাবে আল্লাহ তায়লাৰ নিৰ্দেশ অনুযায়ী চলাৰ প্ৰয়োজন আছে। গতিকে যেতিয়া মানুহে আল্লাহ তায়লাৰ সন্তুষ্টি লাভৰ চেষ্টা কৰে আৰু তাৰ নিৰ্দেশিত বাটত চলে তেতিয়া কেৱল ফলাফল শুভ নহয় বৰং তেতিয়া এই জগত খনতো পাবলগীয়াখিনি লাভ কৰে।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; যিজনে খোদা তায়লাৰ আদিষ্ট তেওঁ এই জগত খনই ত্যাগ কৰে। ইয়াৰ অৰ্থ হ'ল তেওঁ এই জগতৰ সকলো সস্থয়ী বস্তুক নিজৰ জীৱণৰ উদ্দেশ্য বনাই নলয়। জগতখনেই তাৰ সেৱক আৰু দাস হৈ পৰে। আকৌ যিজনে ইয়াৰ বিপৰিতে দুনীয়া লাভক উদ্দেশ্য কৰি লয়, হয়তো তেওঁ অলপ হলেও পাৰ্থিৱ কৃতকাৰ্যতা লাভ কৰিব পাৰে কিন্তু শেষত গৈ মযিমুৰ হয়। তেখেত (আঃ) ৰ এই কথা খিনি কেৱল এই যুগ অথবা পুৰণিকলীয়া কথা নহয় বৰং বৰ্তমানেও চলি আছে। ২০০৮ চনত যি অৰ্থনৈতিক সংকটে দেখা দিছিল তাৰ প্ৰভাৱ আজিও চলি আছে ডাঙৰ-ডাঙৰ ব্যাৱসায়ী দেউলীয়া হৈ পৰিছে। এনেকি চৰকাৰ পযৰ্ন্ত প্ৰভাৱিত হৈ পৰিছে। তেল উৎপাদণকাৰী ৰাষ্ট্ৰ সমুহে ভাৱিছিল যে তেওঁলোকৰ এই সম্পদ শেষ নহয় কিন্তু সেয়া শেষ হৈ গৈছে। কি হ'ল সিহঁতৰ লগত ? তাতেও চৰকাৰী খৰচ হ্ৰাস কৰিব লগীয়া হৈছে। বহুত চাকৰীয়ালক অচসৰ দিব লগা হৈছে। মুছলমান ৰাষ্ট্ৰ সমুহৰ দুৰ্ভাগ্য এয়া যে আল্লাহ তায়লাযি সম্পদ তেওঁলোকক দিছে সেয়া তাৰে বাদশ্বাহ, চৰকাৰ আৰু ৰাজনৈতিক নেতা সকলে আল্লাহ তায়লাৰ নিৰ্দেশ অনুসৰি চলি আল্লাহ তায়লাৰ সন্তুষ্টি অৰ্জন কৰাৰ সলনি নিজৰ আৰাম বিলাসিতাত লগাইছে। এই তেল সম্পদ আৰু অন্যান্য সম্পদ মানুহক বচাবলৈ আৰু দুখীয়া মুছলমান দেশ আৰু অন্যান্য ৰাষ্ট্ৰ সমুহক আত্মনিৰ্ভৰশীল বনাবলৈ ব্যাৱহাৰ কৰাৰ কথা দুৰতে থাকক নিজৰ দেশৰ অভাৱ-অনাটন, ডোক-পিয়াহ সুৰীকৰণতও ব্যাৱহাৰ কৰা নাই বৰং নিজৰ নিজৰ ধনভাণ্ডাৰ পূৰ্ণ কৰাত ব্যাস্ত হৈ পৰিছে। যাৰ পৰিণতিত আজি তেওঁলোকে পৃথিৱীৰ সন্মুখত ঘৃণাৰ পাত্ৰ হ'বলৈ ধৰিছে। কিন্তু সেয়া তেওঁলোকে বুজিব পৰা নাই। তেওঁলোকে আখেৰাতৰ শাস্থিৰ প্ৰতি মনত পেলোৱা নাই যাৰ প্ৰতি আল্লাহ তায়লাৰ ভয় দেখুৱাইছে। যিয়েই নহওক এই কথাখিনি উপেক্ষা কৰিব নোৱাৰি যে পাৰ্থিৱ সম্পদ সেয়া ব্যক্তিগত হওক অথবা কোনো ডাঙৰ ব্যাৱসায়ীৰে হওক বা কোম্পানীৰ বা চৰকাৰী হওক, তাৰ ভূল ব্যাৱহাৰ হলে আল্লাহ তায়লা সেয়া ধৰি লয়। যদি আল্লাহ তায়লা বিচাৰে তেন্তে তাৰ বাবে শাস্তি এই জগতত দিব পাৰে বা পৰকালতো দিব পাৰে। গতিকে এয়া ভয়ৰ কাৰণ সেয়ে এই বিষয়টো প্ৰত্যেক বিবেকবান মানুহে এজন প্ৰকৃত মুছলমানে বিশেষকৈ যিজনে আল্লাহ তায়লাৰ ওপৰত বিশ্বাস স্থাপন কৰে সদায় দৃষ্টি দিয়া উচিত। কেৱল বাহ্যিক হিচাপে নহয় বৰং উপাসনা আৰু আল্লাহ তায়লাৰ নিৰ্দেশ মানি চলাৰ বাবে এটা বেদনা সিক্ত চেষ্টা হোৱা উচিত। কওঁতা জনে ক'ব যে আমি নমাজ পঢ়ো, ইবাদত কৰো, ৰোজা ৰাখো গতিকে আল্লাহ তায়লা যিহেতু নিয়ামত দান কৰিছে সেয়া অৰ্জন কৰি লবলৈ চেষ্টা কৰিলে কিনো বেয়া আছে। এনেকুৱা লোকৰ বিষয়ে হজৰত মছিহ মাওউদ (আঃ) য়ে এনে লোক সকলৰ বিষয়ে কৈছে যে সত্যতা আৰু পবিত্ৰ মনযোগ বিহীন নমাজ, ৰোজাৰ মাজত কোনো গুনাৱলী নাই। এনেকুৱা নমাজ,ৰোজা কৰোতাৰ বিষয়ে আল্লাহ তায়লা কৈছে যে - فَوَيْلٌ لِّلْمُصَلِّينَ এনে বিধৰ নমাজীৰ ওপৰত ধংস অনিবাৰ্য্য। দৰাচলতে আল্লাহ তায়লা এনেকুৱা ইবাদত আৰু কাম আমাৰ পৰা বিচাৰে য'ত আমালোকৰ আধ্যাত্মিক অৱস্থাৰ উন্নতি ঘটে। পাৰ্থিৱ ধন মাল উপাৰ্জন কৰাত বাধা নাই। উল্লেখ কৰিছে যে আল্লাহ তাযলা যিবোৰ নিয়ামতৰ জন্ম দিছে নিশ্চয় মোমিন সকলৰ বাবে সেয়া জায়েজ চৰ্ত হ'ল জায়েজ উপায়েৰে অৰ্জন কৰিব লাগিব। সেয়া ধৰ্মীয় নিৰ্দেশৰ বাটত আৰু আল্লাহ তায়লাৰ সৃষ্টিৰ হ'ক আদায় কৰাৰ বাটত আৰু ইবাদতৰ ক্ষেত্ৰত যেন বাধাৰ সৃষ্টি নকৰে।

এঠাইত আঁহজৰত (ছাঃ) য়ে কৈছে; মই মোৰ উম্মতৰ বাবে এই বিষয়টোলৈ চিন্তান্বিত সেয়া হ'ল এয়া যে মোৰ উম্মত নিজৰ প্ৰবৃত্তিয় ইচ্ছাৰ অধীন হৈ পৰে নেকি আৰু পাৰ্থিৱ আশা পূৰণৰ বাবে এটা দীঘলীয়া পৰিকল্পনা বনোৱাত লাগি যায় আৰু ইয়াৰ পৰিণতিত গৈ সিহঁতে সত্যৰ পৰা আঁতৰি পৰে। পাৰ্থিৱ কৃতকাৰ্য্যতাৰ পৰিকল্প ন্যায় আখেৰাতৰ প্ৰতি অলসতা আনি দিয়ে। তেখেত (ছাঃ) য়ে কৈছে যে; হে লোক সকল পৃথিৱীখন মৃত্যুৰ বাবে সাজু হোৱা মাত্ৰ আৰু আখেৰাত উপস্থিত হোৱাৰ উপক্ৰম হৈছে। দুয়োফালৰ ভ্ৰমন আৰম্ভ হৈ গৈছে। গতিকে যদি তোমাৰ শক্তি আছে যে তুমি দুনীয়াদাৰ নোহোৱা তেন্তে নিশ্চয় এনেকুৱা কৰা তুমি এতিয়া আমলৰ ঘৰত ৰৈ আছা, এতিয়াও হিচাপ দিয়াৰ সময় আহি পোৱা নাই কিন্তু কালি তুমি আখেৰাতৰ ঘৰত থাকিবা, তাত কোনো ধৰণৰ আমল নাথাকিব। যি আমল হৈছে তাৰ ফল হে পাবলৈ আছে, যি এইখন পৃথিৱীত পাবলৈ আছে সেয়ে নিজৰ আমল ঠিক কৰি লোৱা।

এই খন পৃথিৱী আমল (ইবাদত) ৰ ঘৰ। এইখন পৃথিৱীৰ কৃত আমলবোৰ হ'ব ভৱিষৎ জাহানৰ (পৰলোকৰ) পুৰুস্কাৰ আৰু শাস্তিৰ মাধ্যম। গতিকে কিমানেই সৌভাগ্যশীল আমালোকৰ মাজৰ সেইজন যিজনে আল্লাহ তায়লাৰ এই কথাবোৰ মনত

ৰাখিছে যে এইখন পৃথিৱীত ধন মাল, সৌন্দৰ্য, সন্তান আদিৰ গৌৰৱ কৰোঁতাজনৰ মৰ্যদা শুকাই যোৱা ঘাঁহ বনৰ দৰেই, তাতকৈ বেছি একো নহয়। বতাহে যাক উৰুৱাই লৈ যায়। আচল চস্তু হ'ল আল্লাহ তায়লাৰ সন্তুষ্টি অৰ্জন কৰা। এই কথাখিনিয়ে আঁহজৰত (ছাঃ) য়ে কৈছে যে নেক আমল কৰা যাতে আল্লাহ তাযলাৰ সন্তুষ্টি অৰ্জন কাৰী হোৱা।

চাহাবা সকলে সদায় আল্লাহ তায়লাৰ সন্তুষ্টি আৰু পৱিত্ৰ আমলৰ বাট বিচাৰিছিল। এবাৰ এজন ব্যক্তিয়ে আঁহজৰত (ছাঃ) ৰ ওচৰত আহি কয় যে; হে আল্লাহৰ ৰছুল মোক এনেকুৱা এটা কাম কৰিবলৈ দিয়ক যিটো কৰিলে আল্লাহ তায়লা মোক ভাল পাবলৈ ধৰে আৰু বাকী লোক সকলে যেন মোক বিচাৰে। তেখেত (ছাঃ) য়ে কয় যে; দুনীয়াৰ প্ৰতি ওদাস আৰু উদ্দেশ্য বিহীন হৈ যোৱা। আল্লাহ তায়লা তোমাক ভাল পাবলৈ আৰম্ভ কৰিব। লোকৰ ধন সম্পদলৈ লোভ আৰু ঈৰ্ষা নকৰিবা, দেখিবা লোকে তোমাক ভাল পাব। পাৰ্থিৱ উদাসীনতা মানে এয়া নহয় যে মানুহ সমাজ এৰি দুনীয়াদাৰীৰ পৰা সম্পূৰ্ণ আঁতৰি যায়। ইছলামে এয়া নিবিচাৰে আৰু আঁহজৰত (ছাঃ) ৰ সুন্দৰ জীৱনাদৰ্শ আমাৰ সন্মুখত আছে। তেখেতে বিয়া কৰাইছিল, পত্নীৰ দায়িত্ব পালন কৰিছিল, সন্তানৰ দায়িত্ব লৈছিল। আঁহজৰত (ছাঃ) য়ে কৈছে যে তোমালোকে মোৰ চুন্নতৰ ওপৰত আমল কৰাৰ প্ৰয়োজন। সন্নাসী হৈ নেযাবা, জগতৰ সৈতে জড়িত থাকিবা, কাৰণ এইবোৰ মই কৰি আছো।

গতিকে আমি লক্ষ্য কৰিব লাগিব যাতে দুনীয়াদাৰীয়ে আমাৰ ইবাদতৰ মাজত বাধাৰ সৃষ্টি নকৰে আৰু আমালোকক আল্লাহ তায়লাৰ আদেশৰ ওপৰত আমল কৰাত বাধা নিদিয়ে। ধন মাল উপজিনৰ ব্যাস্ততাই যেন আল্লাহ তায়লাৰ হ'ক আদায় কৰাত আলসতা আনি নিদিয়ে। এনেদৰে আনৰ সম্পদলৈ লোভ, ঈৰ্ষা হ'ব নালাগে। কাৰণ লোভীয়া দৃষ্টিয়ে বেলেগৰ ক্ষতি সাধন কাৰী চিন্তাৰ উদ্রেক কৰে। পৃথিৱীত বিবাদৰ মুলতেই হ'ল এই ঈৰ্ষা।

জাগতিক উদাসীনতা সম্পৰ্কে বৰ্নাবলৈ গৈ আছ্হজৰত (ছাঃ) য়ে কৈছে যে; জাগতিক উদাসীনতা মানে এয়া নহয় যে মানুহে নিজৰ হালাল বস্তুক হাৰাম বৰাই লয় আৰু নিজৰ ধন মাল নষ্ট কৰি দিয়ে বৰং পৰহেজগাৰী হ'ল তোমাৰ ধন মাল বেছিকৈ খোদা তায়লাৰ পুৰুস্কাৰ অৰ্জনকাৰী হওঁক। গতিকে আঁহজৰত (ছাঃ) য়ে আমাৰ পৰা মোমিন সকলৰ ল'ৰা আৰু নিজৰ উম্মতৰ পৰা এই তাকওয়া আৰু দুনীয়াৰ উদাসীনতাৰ মান বিচাৰিছে। এইযুগত আল্লাহ তায়লা আহমদী সকলক হজৰত মছিহ মাওউদ (আঃ) ক মান্য কৰাৰ বাবে এই বোধশক্তি প্ৰদান কৰিছে যে পাৰ্থিৱ ক্ষয়, ক্ষতি ইয়াৰ তুলনাত একোৱে মৰ্যদা নাৰাখে। সেয়ে আমি দেখিবলৈ পাইছো যে পাকিস্থান আৰু আন আন ঠাইতো আহমদী সকলৰ কৌটি টকাৰ সম্পত্তি বিৰুদ্ধবাদী সকলে ধংস কৰি দিছে কিন্তু সেই আহমদী সকলে আল্লাহ তাযলাৰ ওপৰত ভৰষা ৰাখি চৰকাৰ অথবা কাৰো পৰা ক্ষতিপুৰণ বিচৰা নাই। আল্লাহ তায়লাৰ ওপৰত কৰা ভৰষাৰ বিনিময়ত তেওঁলোকৰ লাখটকীয়া ব্যাৱসায় কৌটি টকাত পৰিণত হৈছে।

গতিকে এয়া হ'ল আহমদী সকলৰ ঈমান মজবুত কৰাৰ মুখ্য উদাহৰণ। উন্নত দেশবোৰলৈ অহা আহমদী সকলৰ বাবে শিক্ষনীয় যে আমি দুনীয়াদাৰ সকলৰ দৰে ধন মালৰ পিছে লাগি থকা উচিত নহয়। আমি আনৰ সম্পদলৈ ঈৰ্ষা কৰিব নালাগে। বৰং আঁহজৰত (ছাঃ) ৰ নিদেৰ্শ অনুসৰি যদি কোনো বস্তুক ঈৰ্ষা কৰিবলৈ আছে তেন্তে সেয়া হ'ল ধৰ্মীয় বিষয়ত নিজতকৈ উন্নত জনক দেখিব লাগিব আৰু দেখি দেখি তাক চেৰ পেলোৱাৰ চেষ্টা কৰিব লাগিব। হজৰত মছিহ মাওউদ (আঃ) য়ে এঠাইত কৈছে যে; খোদা তায়লা পাৰ্থিৱ কাম-কাজ জায়েজ কৰি দিছে। উল্লেখ কৰিছে জাগতিক কাম কাজ সিমান খিনিলৈ সীমাবদ্ধ কৰি সম্পাদন কৰা যে সেয়া যেন তোমাৰ ধৰ্মীয় ক্ষেত্ৰত সহায়তাৰ জন্ম দিয়ে আৰু উদ্দেশ্য যেন তাৰ ধৰ্মীয় তৃপ্তি লাভ কৰা হয় অৰ্থাৎ জাগতিক আয় উপাৰ্জন কৰি যোৱা, লাভ আহৰণ কৰা কিন্তু সদায় যেন আল্লাহ তায়লাৰ ভয় আৰু তাকওয়া তোমাৰ সন্মুখত থাকে। দ্বিনী শিক্ষা যেন সন্মুখত থাকে। গতিকে মই জাগতিক কাম-কাজত বাধা নিদিওঁ আৰু এয়াও নকওঁ যে দিনে-ৰাতি ক্ষণস্থায়ী জগতৰ মোহত আৱদ্ধ হৈ খোদা তায়লাৰ (পাক্তনা) সুচী জগতেৰেই পুৰ কৰি দিয়া। অৰ্থাৎ খোদা তায়লাৰ (মহানুভৰ) সেয়া হৈ নাথাকে, ইবাদতৰ সময়তো জাগতিক বিষয় বস্তুত নিমগ্ন নিমজ্জিত হয়। নমাজৰ সময়ত টি.ভি, ইণ্টাৰনেট অথবা অইন কোনো প্ৰগ্ৰামত ব্যস্ত থকা। এয়া হ'ব নোৱাৰে। যদি এনেকুৱা কোনোবাই কৰিছে তেন্তে তেওঁ বঞ্চিত হৈ যোৱাৰ দ্বাৰা উন্মোচন কৰিছে আৰু তাৰ মুখত কেৱল নামমাত্ৰ দাবীহে ৰৈ আছে। আকৌ দাবীটোহে আছে প্ৰকৃত বয়াত নোহোৱা হৈছে, ঈমান নোহোৱা হৈছে। গতিকে জীৱন্ত জনৰ সংস্পৰ্শত থাকিবা, যাতে জীৱন্ত খোদাৰ কুদৰত তুমি দেখিবলৈ পোৱা।

আকৌ এঠাইত হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; কোনোবায় যেন এয়া বুজি নলয় যে মানুহৰ জাগতিক উদ্দেশ্য আদি আৰু ইয়াৰ সৈতে সম্পৰ্ক ৰাখিব নালাগে। জগতৰ সৈতে মোমিনৰ সম্পৰ্ক যিমান বিস্তৃত হ'ব সেয়া তাৰ বাবে সিমানেই সৰ্বব ব্যাপি মৰ্যদাৰ কাৰক হ'ব।

আকৌ তেখেত (আঃ) য়ে জাহান্নাম আৰু শাস্তিৰ বিষয়ে উল্লেখ কৰিবলৈ গৈ কয় যে; ভালদৰে বুজি পাব লাগিব যে

জাহান্নাম কি বস্তু। যাৰ বিষয়ে আল্লাহ তায়লা মানুহৰ মৃত্যুৰ পিছত উপলব্দ হোৱাৰ প্ৰতিশ্ৰুতি দিছে। আনটো হ'ল এই মানৱ জীৱণ যদি খোদা তায়লাৰ বাবে নহয় তেন্তে সেয়া এক ধৰণৰ জাহান্নাম। উল্লেখ কৰিছে যে আম্বিয়া আলায় হিচ্ছালাম, বিশেষ কৈ ইব্ৰাহীম আৰু ইয়াকুব (আঃ) ৰ এয়াই হিদায়ত আছিল যে لاتموتن الا وانتم مسلمون অৰ্থাৎ তোমালোকে সম্পূৰ্ণ আত্মসমৰ্পন নকৰা অৱস্থাত কেতিয়াও নমৰিবা।

যিয়েই নহওক মানুহে নাজানে বা মানুহৰ জীৱণ মৰণ নিজৰ আয়ত্বাধীন নহয়। এয়াই সুচায় যে সদায় আল্লাহ তায়লাৰ নিৰ্দেশৰ প্ৰতি দৃষ্টিপাত কৰে আৰু আখেৰাতৰ চিন্তা অন্তৰত লৈ ফুৰে। উল্লেখ কৰিছে যে পাৰ্থিৱ তৃপ্তিয়ে এক ধৰণৰ অপৱিত্ৰ ইচ্ছাৰ জন্ম দি বাসনা আৰু আকাঙ্ক্ষা বৃদ্ধি কৰে। জগতৰ তৃপ্তি কি ? এয়াই মাত্ৰ জাগতিক আশা-আকাঙ্ক্ষা আৰু পিয়াহ বৃদ্ধি কৰে। এয়া পিয়াহ লগা বেমাৰীৰ দৰে পিয়াহ নুগুচে।

গতিকে এয়া হ'ল অযথা বাসনা আৰু আফচোচৰ অগ্নি মুঠতে এয়া জহান্নমৰ অগ্নি। যিয়ে মানুহৰ অন্তৰত শান্তিৰ নিঃশ্বাস লৰ নিদিয়ে বৰং হৃদয়ক ব্যাকুলতা আৰু অস্থিৰতাত দুৰ্বল কৰি ৰাখে। সেয়ে মোৰ বন্ধু সকলৰ দৃষ্টিৰ পৰা এই বিষয়টো কেতিয়াও লুকাই নাথাকে যেন, মানুহ ধন মাল, সতি-সন্তানৰ ভালপোৱাত যেন ব্যাকুলহৈ এনেকুৱা পাগল নহয় যে তাত তেওঁ আৰু খোদা তায়লাৰ মাজত আৰকাপোৰৰ সৃষ্টি হয়।

গতিকে এই দেশ সমুহৰ সা-সুবিধা আৰু আৰাম বিলাসিতাই যেন আমালোকক খোদা তায়লাৰ ইবাদতৰ প্ৰতি এলেহুৱা নবনায়। তাৰ হ'ক আদায় কৰাৰ পৰা যেন বঞ্চিত কৰোতা নহওঁ। আমালোকৰ উন্নত অৱস্থা, ভাল আৰ্থিক অৱস্থা যি আছে, আমি দুবৰ্ল আৰ্থিক অৱস্থাক ভাই সকলৰ হ'ক আদায় কৰাৰ পৰা যেন বঞ্চিত নহওঁ। এনেদৰে ইছ্লামৰ প্ৰচাৰ তবলিগ যেন নিজৰ দায়িত্ব পালনকাৰী হওঁ। এই উদ্দেশ্য যেন পাহৰি নাযাওঁ। হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াত গ্ৰহনৰ উদ্দেশ্য হ'ল এয়া যে আল্লাহ তায়লাৰ হ'ক যেন আদায় হয় আৰু তাৰ বান্দাৰ হ'ক বোৰও যেন আদায় কৰিব পৰা যায়। তবলিগৰ হ'ক যেন আদায় কৰিব পাৰো। ইয়াৰ দ্বাৰা আমি দ্বীনক দুনীয়াৰ ওপৰত প্ৰাধান্য দিয়াৰ উদ্দেশ্য সফল কৰিব পাৰিম। আল্লাহ তায়লা কৰক আমি যেন সদায় আল্লাহ তায়লাৰ সন্তুষ্টি বিচৰাত মগ্ন থাকো। এই জগতৰ প্ৰৱঞ্চনাময় জীৱণটোৱে আমাৰ ওপৰত যেন ছানি নধৰে। আমি যেন জাগতিক জাহান্নামৰ পৰা ৰক্ষা পাওঁ আৰু আখেৰাতৰ জাহান্নামৰ পৰা যেন নিস্কৃতি পাওঁ। আল্লাহ তায়লাৰ কৃপা আৰু তাৰ সন্তুষ্টি য়ে যেন আমাৰ বাবে ইহজগতত জান্নাত বনাই দিয়ে। লগতে আখেৰাতত যেন আমালোকক জান্নাতৰ অধিকাৰী বনায়।

হুযুৰ আনোৱাৰ (আইঃ) য়ে নমাজে জুমাৰ পিছত নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। তাৰে এটা মকৰম বশাৰত আহমদ চাহাব ইবনে মকৰৰম মহম্মদ আব্দুল্লাহ চাহাবৰ (খানপুৰ জিলা ৰহিম ইয়াৰ খান) জানাজা। মৰহুমক ৩ মে তাৰিখত শ্বহীদ কৰি দিয়া হৈছে। انالله وانااليه راجعون- দ্বিতীয় জানাজা অধ্যাপক তাহিৰা পাৰবিন মালিকা চাহিবা। যিজনী মালিক মহম্মদ আব্দুল্লাহ চাহাবৰ জীয়েক আছেল। ১৭ এপ্ৰিল তাৰিখত পাঞ্জাৱ বিশ্ব-বিদ্যালয়ৰ এজন কৰ্মচাৰীয়ে ছুৰিকাঘাতেৰে শ্বহীদ কৰি দিয়ে। ভাই পাঞ্জাৱ বিশ্ব-বিদ্যালয়ৰ অধ্যাপক আছিল। انالله وانااليه راجعون- হুযুৰ আনোৱাৰ (আইঃ) য়ে দুয়ো মৰহুমিনৰ জীৱণ চৰিত বৰ্ণনা কৰি পৱিত্ৰ আত্মাৰ মাগফিৰাত কামনা কৰে। আল্লাহ তায়লাএখেত সকলৰ মৰ্যদা উন্নীত কৰক। আমিন।

*********

**Assamess Khulasa Khutba Jumma Huzoor Anwar 5 May 2017**

**BOOK POST (PRINTED MATTER)**

**To**

______________________________

______________________________

______________________________

**From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890**